**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

যোৱা নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ নশ্বৰদেহ বৰ্তমান নতুন দিল্লীৰ মতিলাল নেহৰু মাৰ্গত থকা তেওঁৰ বাসগৃহত ৰখা হৈছে আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে নেতাগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে খন্তেক সময় পূৰ্বে প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰদেহত পুষ্পাৰ্ঘ্য নিবেদন কৰি তেওঁৰ প্ৰতি সন্মান জনায়। কংগ্ৰেছ দলৰ সূত্ৰই জনোৱা মতে কাইলৈ ড০ মনমোহন সিঙৰ অন্তিম যাত্ৰা অনুষ্ঠিত হ'ব আৰু তেওঁৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব।

আমাৰ আগৰ বতাৰিতে কোৱা হৈছে যে, যোৱা নিশা ৯ বাজি ৫১ মিনিটত নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত ৯২ বছৰ বয়সত বৰ্ষীয়ান নেতাগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে কংগ্ৰেছ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী ভাদ্ৰা, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাকে ধৰি ভালেসংখ্যক গুণমুগ্ধ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানলৈ গৈ প্ৰয়াত নেতাগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰে।

বিশ্বৰ প্ৰসিদ্ধ অৰ্থনীতিবিদসকলৰ অন্যতম ড০ মনমোহন সিঙে ১৯৮২ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গবৰ্ণৰ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত ১৯৮৫ৰ পৰা ১৯৮৭ চনলৈ পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ হিচাপে দায়িত্ব পালন কৰিছিল। পি ভি নৰসিংহ ৰাও চৰকাৰৰ দিনত বিত্তমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা ড০ সিঙে ১৯৯১ চনৰ অৰ্থনৈতিক উদাৰীকৰণৰ ৰূপকাৰ হিচাপে ভাৰতীয় অৰ্থনীতিত সৰ্বকালৰ সৰ্ববৃহৎ সংস্কাৰ সাধন কৰে। ২০০৪ৰ পৰা ২০১৪ চনলৈ কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ সময়ত দুটা কাৰ্যকালৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ড০ মনমোহন সিং ১৯৯১ চনত প্ৰথমবাৰৰ বাবে অসমৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল আৰু ধাৰাবাহিকভাৱে ২৮ বছৰ ধৰি অসমক প্ৰতিনিধিত্ব কৰিছিল।

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ সিঙৰ বিয়োগত সাতদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী কাৰ্যালয়, গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লগতে বিদেশত থকা ভাৰতীয় দূতাবাসসমূহতো ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব। ইয়াৰ লগতে আমোদ-প্ৰমোদমূলক সকলো চৰকাৰী কাৰ্যসূচীও বন্ধ থাকিব। প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি ভাৰত চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে।

০০০০০০

তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দ্বাবিংশ সমাৰৰ্তন উৎসৱ আজি অনুষ্ঠিত হৈছে। বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় বিদ্যালয় পৰিসৰত অনুষ্ঠিত এই সমাৰৰ্তনত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অধ্যক্ষ, অধ্যাপক এম জগদেশ কুমাৰে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছে। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত এই সমাৰৰ্তনত বিশ্ববিদ্যালয়ৰ পৰা ডিপ্ল'মা লাভ কৰা ১৪ গৰাকী, স্নাতক

ডিগ্ৰী লাভ কৰা ৪২৮ গৰাকী, স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ৭৩৯ গৰাকী আৰু পি এইচ ডি ডিগ্ৰী লাভ কৰা ১৩১ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হয়। ইয়াৰ লগতে বিভিন্ন পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ৪৯ গৰাকী শিক্ষাৰ্থীক সোণৰ পদকেৰে সন্মানিত কৰা হয়। সমাৱৰ্তন অনুষ্ঠানৰ পূৰ্বে প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ মৃত্যুত শোক প্ৰকাশ কৰি মৌনতা অৱলম্বন কৰা হয়।

০০০০০০

স্বাস্থ্যকৰ জীৱনশৈলীৰ প্ৰচাৰ আৰু গুৰুত্বপূৰ্ণ স্বাস্থ্য সমস্যাৰ বিষয়ে সজাগতা বৃদ্ধিৰ প্ৰচেষ্টাৰে কালি শোণিতপুৰ জিলাৰ বৰচলাত স্বাস্থ্য আৰু পৰিপুষ্টি মেলা ২০২৪ অনুষ্ঠিত হয়। মহিলা আৰু শিশু বিকাশ বিভাগ, শোণিতপুৰৰ উদ্যোগত আৰু সংকল্প হাব, অসমৰ সহযোগত জিলাখনৰ ডুমডুমাত থকা মিলন সংঘৰ তথা পুথিভঁৰালৰ ৰাজহুৱা ভৱনত এই মেলা অনুষ্ঠিত হয়। এই পৰিপুষ্টি মেলাত স্থানীয়ভাৱে উতপাদিত সামগ্ৰী, স্বাস্থ্যকৰ খাদ্যৰ বিকল্প আৰু পুষ্টি উন্নত কৰাৰ লক্ষ্যৰে বিভিন্ন বিপণীৰ লগতে পুষ্টি আৰু পৰামৰ্শ কোষ, কিশোৰী সেৱিকা কোষ, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা পঞ্জীয়ন কোষ, ৰক্তহীনতাৰ পৰীক্ষা আৰু সজাগতা কোষ আদিও আছে। মেলাত অংশগ্ৰহণকাৰীসকলক পুষ্টিকৰ আহাৰৰ গুৰুত্বৰ বিষয়ে অৱগত কৰা, বহনক্ষম খাদ্যাভাসৰ প্ৰচাৰ কৰা আৰু পুষ্টিকৰ খাদ্য গ্ৰহণৰ বিষয়ে সজাগতা বৃদ্ধি কৰাটোৱে এই মেলাৰ মূল উদ্দেশ্য। খাদ্য মেলাৰ লগতে কিশোৰীসকলৰ ঋতুস্ৰাৱজনিত স্বাস্থ্য সম্বন্ধীয় আলোচনা-চক্ৰৰো আয়োজন কৰা হয়। বৰচলা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া মায়াপ্ৰভা দেৱীৰ লগতে প্ৰকল্প বিষয়া অঞ্জলি দাস আৰু নিবেদিতা চৌধুৰীয়েও এই স্বাস্থ্য আৰু পৰিপুষ্টি মেলাত অংশগ্ৰহণ কৰে।

০০০০০০

মেলব'ৰ্নত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্টৰ দ্বিতীয় দিনা অষ্ট্ৰেলিয়াই ৪৭৪ ৰান সংগ্ৰহ কৰি নিজৰ প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈকে ২ টা উইকেটৰ বিনিময়ত ১৪৮ ৰান কৰি খেলি আছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি ৬ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩১১ ৰানৰ পৰা আজিৰ খেল আৰম্ভ কৰে। দলটোৰ হৈ ষ্টিভেন স্মিথে ১৪০ ৰান কৰে। যশপ্ৰীত বুমৰাই ৪টা উইকেট লাভ কৰাৰ বিপৰীতে ৰবীন্দ্ৰ জাদেজাই ৩টা উইকেট দখল কৰে। ভাৰতীয় দলৰ খেলুৱৈসকলে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ মৃত্যুত শ্ৰদ্ধা জনাই ক'লা বেজ পৰিধান কৰে।

০০০০০০

সমাপ্ত